**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-03-2025 **Time :** 0705 Hrs.

***Assamese Morn. Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ’ কনফাৰেঞ্চিঙৰ জৰিয়তে বাজেটোত্তৰ নিয়োগ সম্পৰ্কীয় এখন ৱেবিনাৰত ভাগ ল’ব।

২। পঞ্চায়তীৰাজ মন্ত্ৰ্যালয়ে আজি নতুন দিল্লীত আদৰ্শ মহিলা অনুকুল গাঁও পঞ্চায়ত মুকলি কৰিব।

৩। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ’ল’ডিমিৰ জেলেন্‌স্কিয়ে দেশখনত শান্তি বৰ্তাই ৰখাৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ নেতৃত্বৰ অধীনত কাম কৰিবলৈ সাজু বুলি প্ৰকাশ কৰিছে।

৪। পাকিস্তানৰ উত্তৰ-পশ্চিম খাইবাৰ পাখটুনখোৱা প্ৰদেশৰ বান্নু কেণ্টনমেণ্টত কালি এটা আত্মঘাতী আক্ৰমণত চাৰিটি শিশুকে ধৰি ১২ জন লোক নিহত হয়।

আৰু

৫। ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ’ কনফাৰেঞ্চিঙৰ জৰিয়তে বাজেটোত্তৰ নিয়োগ সম্পৰ্কীয় এখন ৱেবিনাৰত ভাগ ল’ব। মানৱ সমাজত বিনিয়োগ, অৰ্থনীতি আৰু উদ্ভাৱন আদি বিষয় সামৰি ল’বলগীয়া ৱেবিনাৰখনত প্ৰধানমন্ত্ৰীয়ে ভাষণো দিব। চৰকাৰে নিয়োগ সৃষ্টিৰ দিশটোক বিশেষ অগ্ৰাধিকাৰ দি আহিছে আৰু প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ দৃষ্টিভংগীৰে অনুপ্ৰাণিত হৈ চাকৰিৰ সংখ্যা বৃদ্ধি তথা নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে। এই ৱেবিনাৰখনে চৰকাৰ, উদ্যোগ, শিক্ষাবিদ আৰু জনসাধাৰণৰ মাজত সহযোগিতা বৃদ্ধি তথা পৰিৱৰ্তনশীল বাজেট ঘোষণাসমূহ ফলপ্ৰসূ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাব। ৱেবিনাৰখনত বহনক্ষম আৰু সৰ্বাংগীন বিকাশৰ পথ প্ৰশস্তকৰণ, প্ৰযুক্তি আৰু অন্যান্য খণ্ডত নেতৃত্বৰ লগতে ২০৪৭ চনলৈ বিকশিত ভাৰতৰ লক্ষ্যক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত দক্ষ-সুস্থ কৰ্মশক্তি গঢ় দিয়াত বিশেষ গুৰুত্ব দিয়া হ’ব।

০০০০০০০০০

পঞ্চায়তীৰাজ মন্ত্ৰ্যালয়ে আজি নতুন দিল্লীত আদৰ্শ মহিলা অনুকুল গাঁও পঞ্চায়ত মুকলি কৰিব। মন্ত্ৰ্যালয়ে এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ সৈতে সংগতি ৰাখি এই পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ লক্ষ্য হৈছে প্ৰতিখন জিলাতে কমেও এখনকৈ আদৰ্শ মহিলা অনুকুল গাঁও পঞ্চায়ত স্থাপন কৰা। ইয়াৰ জৰিয়তে লিংগ সংবেদনশীল আৰু কিশোৰী অনুকুল শাসন ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়াস কৰা হ’ব। অনুষ্ঠানত পঞ্চায়তী ৰাজ বিভাগৰ ৰাজ্য মন্ত্ৰী প্ৰফেছৰ এছ্ পি সিং বাঘেল, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলকে ধৰি বিভিন্ন মন্ত্ৰ্যালয়, বিভাগ আৰু ৰাষ্ট্ৰসংঘৰ জনসংখ্যা নিধিৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংস্থাই ভাগ ল’ব।

০০০০০০০০০

সমগ্ৰ দেশৰ প্ৰায় ১০ লাখ ৪০ হাজাৰ মহিলা সম্প্ৰতি পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ সৈতে জড়িত হৈ আছে। নতুন দিল্লীত নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলৰ ৰাষ্ট্ৰীয় অভিবৰ্তনত সবল পঞ্চায়ত নেত্ৰী অভিযান শীৰ্ষক উদ্বোধনী অনুষ্ঠানত ভাষণ দি কালি  কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে মহিলাসকলৰ সৱলীকৰণৰ বাবে লাখপতি বাইদেউ আৰু নমো ড্ৰ'ণ বাইদেউ আঁচনিকে ধৰি ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ লগতে মহিলাসকলৰ মাজত বিশ্বাস গঢ়ি তোলাৰ বাবে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ দক্ষতাৰ বিকাশৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত অংশ লৈ মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কয়, যে মহিলাৰ নেতৃত্বত হোৱা উন্নয়নে সমাজলৈ ইতিবাচক পৰিৱৰ্তন অনাৰ লগতে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিছে। লোকসভা আৰু বিধানসভাৰ ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষিত ৰখাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ চৰকাৰে লোৱা ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে মহিলা প্ৰতিনিধিসকলক ভাল কামেৰে নিজৰ গাঁৱৰ বাবে অনুপ্ৰেৰণাৰ উৎস হ'বলৈ আহ্বান জনায়।

ooooooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰে কালি লণ্ডনৰ 10 Downing Street ত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰক সাক্ষাৎ কৰে। এই সাক্ষাতকালত ড° জয়শংকৰে দ্বিপাক্ষিক অৰ্থনৈতিক সহযোগিতা আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰা সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী ষ্টাৰমাৰক সাক্ষাৎ কৰি আনন্দ প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে শ্ৰী ষ্টাৰমাৰে ইউক্ৰেইন সংঘৰ্ষৰ বিষয়ত ব্ৰিটেইনৰ দৃষ্টিভংগী সন্দৰ্ভতো আলোকপাত কৰে। ইয়াৰ পাছত তেওঁ ব্ৰিটেইনৰ বিদেশ সচিব ডেভিড লেমিক সাক্ষাৎ কৰে। চৰকাৰী কাৰ্যসূচীৰে ব্ৰিটেইন ভ্ৰমণলৈ যোৱা ড° জয়শংকৰে ইয়াৰ পূৰ্বে লণ্ডনত ব্ৰিটেইনৰ গৃহ সচিব য়েটে কুপাৰ, দেশখনৰ ব্যৱসায় আৰু বাণিজ্য বিভাগৰ প্ৰদেশ সচিব জনাথন ৰেনল্ডকো সাক্ষাৎ কৰে।

ooooooooo

কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি নতুন দিল্লীত বেলজিয়ামৰ ৰাজকুমাৰী এষ্ট্ৰি ডেৰ নেতৃত্বত ভাৰতলৈ অহা প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত স্বচ্ছ প্ৰযুক্তি, প্ৰতিৰক্ষা আৰু বৈদ্যুতিন বিষয়কে ধৰি অন্যান্য ক্ষেত্ৰত দুয়োখন দেশৰ সহযোগিতা সন্দৰ্ভত আলোচনা কৰা হয়।  শ্ৰী বৈষ্ণৱে কয়, যে এই বৈঠকৰ সময়ছোৱাত তেওঁ গ্ৰামাঞ্চলত সৰ্বাংগীন উন্নয়নৰ বাবে Unified Payments Interface চমুকৈ UPI-ৰ পৰিৱৰ্তনশীল প্ৰভাৱ সন্দৰ্ভত আলোচনা কৰে।

উল্লেখযোগ্য যে বেলজিয়ামৰ ৰাজকুমাৰী এষ্ট্ৰিডে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে বাণিজ্য, প্ৰযুক্তি, প্ৰতিৰক্ষা, কৃষি, জীৱন বিজ্ঞান, উদ্ভাৱন, দক্ষতা আৰু শৈক্ষিক বিনিময় ক্ষেত্ৰত বেলজিয়ামৰ সৈতে সহযোগিতাৰ মাধ্যমেৰে অপাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰে।

ooooooo

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে দেশখনত শান্তি বৰ্তাই ৰখাৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নেতৃত্বৰ অধীনত কাম কৰিবলৈ সাজু বুলি প্ৰকাশ কৰিছে। যোৱা শুকুৰবাৰে হোৱাইট হাউছত আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ পাছতে জেলেনস্কিয়ে এই কথা প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই ইউক্ৰেইনলৈ সামৰিক সহযোগিতা প্ৰদান নকৰে বুলি প্ৰকাশ কৰাৰ পাছতে

জেলেন্‌স্কিয়ে কয়, যে ইউক্ৰেইনে শান্তি চুক্তি সন্দৰ্ভত আলোচনা আৰু খনিজ চুক্তিত স্বাক্ষৰ কৰিবলৈ সাজু আছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত যোৱানিশা ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰী ট্ৰাম্পৰ সৈতে এই বৈঠক আক্ষেপজনক আছিল বুলি প্ৰকাশ কৰি ভৱিষ্যতে গঠনমূলক সহযোগিতাৰ বাবে আহ্বান জনায়। তেওঁ এই সহযোগিতাৰ আৰম্ভণিতে মিছাইল আৰু ড্ৰোনৰ ক্ষেত্ৰত নিষেধাজ্ঞা, বন্দীসকলক মুকলি কৰি দিয়া আৰু যদি ৰাছিয়াই ইচ্ছা কৰে, তেনেহ'লে সাগৰত যুদ্ধ বিৰতিৰ জৰিয়তে এই যুদ্ধৰ অৱসান ঘটোৱাৰ বাবে প্ৰস্তাৱ আগবঢ়ায়। উল্লেখযোগ্য যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইনলৈ সামৰিক সাহায্য প্ৰদান নকৰে বুলি প্ৰকাশ কৰিছে। হোৱাইট হাউছৰ চৰকাৰী সূত্ৰই কালি প্ৰকাশ কৰা মতে আমেৰিকা যুক্তৰাষ্ট্ৰই শান্তিৰ বিষয়ত গুৰুত্ব আৰোপ কৰে আৰু ইয়াৰ অংশীদাৰসকলেও এই লক্ষ্যপ্ৰাপ্তিৰ বাবে বদ্ধপৰিকৰ হ'ব লাগিব বুলি শ্ৰী ট্ৰাম্পে স্পষ্ট কৰি দিছে। ইপিনে, দেশখনৰ এই সিদ্ধান্তক লৈ বিশ্বৰ বিভিন্ন দেশে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

ooooooooo

পাকিস্তানৰ উত্তৰ-পশ্চিম খাইবাৰ পাখটুনখোৱা প্ৰদেশৰ বান্নু কেণ্টনমেণ্টত কালি সন্ধিয়া এটা আত্মঘাতী আক্ৰমণত চাৰিটি শিশুকে ধৰি ১২ জন লোক নিহত হোৱাৰ লগতে আন ৩০ জন আহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে বিস্ফোৰক সামগ্ৰীৰে ভৰ্তি দুখন বাহনে কেণ্টনমেণ্টৰ সীমাৰ দেৱালত খুন্দা মৰাৰ ফলত এই বিস্ফোৰণ সংঘটিত হয়। হাফিজ গুল বাহাদুৰৰ সৈতে জড়িত সন্ত্ৰাসবাদী গোট জইছ অল ফুৰচানে এই আক্ৰমণ সংঘটিত কৰোৱা বুলি স্বীকাৰ কৰিছে। সেনা বাহিনীৰ গুলীত আক্ৰমণকাৰী ছটা সন্ত্ৰাসবাদী নিহত হয়। অঞ্চলটোত সেনাৰ তদন্ত অব্যাহত আছে।

ooooooooo

ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত কালি ভাৰতে অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে ২৬৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৮ অ'ভাৰ আৰু এটা বলত ছটা উইকেট হেৰুৱাই ২৬৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ বিৰাট কোহলিয়ে সৰ্বাধিক ৮৪ ৰান কৰে। শ্ৰেয়স আয়াৰে ৪৫ আৰু কে এল ৰাহুলে ৪২ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ  নাথান এলিছ আৰু আদম জাম্পাই দুটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অ'ভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬৪ ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ হৈ অধিনায়ক ষ্টীভ স্মিথে সৰ্বাধিক ৭৩ ৰাণ কৰে। এলেক্স কেৰীয়ে ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ মহম্মদ শ্বামীয়ে তিনিটা, বৰুণ চক্ৰৱৰ্তী আৰু ৰবীন্দ্ৰ জাদেজাই দুটাকৈ উইকেট লাভ কৰে।

পাকিস্তানৰ লাহোৰত আজি হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে খেলোৱা  হ'ব।

ooooooooo

ভাৰতৰ কিদাম্বি শ্ৰীকান্তে ফ্ৰান্সৰ অৰলিন্সত অনুষ্ঠিত ২০২৫ অৰলিন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী নিজৰ দুয়োখন খেলতে জয়লাভ কৰি মূল প্ৰতিযোগিতাত স্থান নিশ্চিত কৰিছে। কালি খেলুৱৈগৰাকীয়ে বিশ্বৰ ৫২ নম্বৰ স্থানৰ মেড্‌জ ক্ৰিষ্ট'ফেৰ্ছেনক ২১-৮, ২১-১৪ আৰু বিশ্বৰ ৬৩ নম্বৰ বাছনিৰ আৰ্নড মেৰ্কলেক ২১-১১, ১৪-২১, ২১-১২ গেমত পৰাস্ত কৰে। ভাৰতৰ আন এগৰাকী খেলুৱৈ শংকৰ সুব্ৰমণিয়মেও মূল

প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছে। সুব্ৰমণিয়মে মেগনাজ জোহানেছেনক ২১-১৯, ১৯-২১, ২১-১৯ গেমত আৰু সতীৰ্থ ঋত্বিক সঞ্জীৱি সতীশ কুমাৰক ২১-১৮, ২১-১২ গেমত পৰাস্ত কৰে। অৱশ্যে ভাৰতৰ তৰুণ মান্নেপালিয়ে প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে।

মহিলাৰ শাখাত ভাৰতৰ টানিয়া হেমন্তে নিজৰ প্ৰথমখন খেলত জয়লাভ কৰিলেও দ্বিতীয়খনত পৰাস্ত হয়। তৃতীয় বাছনিৰ আকৰ্ষি কাশ্যপো পৰাজিত হৈছে। উন্নতি হোডা আৰু ঈষা ৰাণী বৰুৱাইও নিজৰ দুয়োখন খেলত জয়ী হৈ মূল প্ৰতিযোগিতালৈ জয়ী হৈছে।

০০০০০০০০০

সমাপ্ত